# 2019

# ASSAMESE

## ( Honours )

Paper : ASM–HC–1026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) আহোম ৰজা প্ৰতাপ সিংহই কোনজন ৰজাক আশ্ৰিত ৰজা হিচাপে ধৰ্মনাৰায়ণ নাম দিছিল ?

(খ) ভট্টদেৱে 'নামঘোষা'ৰ আদৰ্শত কোনখন গ্ৰন্থ ৰচনা কৰিছিল ?

(গ) গদ্যত ৰচিত এখন চৰিতপুথিৰ নাম লিখা।

(ঘ) কোনগৰাকী আহোম স্বৰ্গদেৱে সত্ৰানুষ্ঠানবোৰ ভঙাত উঠি পৰি লাগিছিল ?

(ঙ) 'বেলিমাৰৰ বুৰঞ্জী'ৰ ৰচক কোন ?

(চ) কোনগৰাকী আহোম ৰজাৰ দিনত মোৱামৰীয়া বিদ্ৰোহ সংঘটিত হৈছিল ?

(ছ) 'বুৰঞ্জীবিবেকৰত্ন' কোনে ৰচনা কৰিছিল ?

(জ) কাশীনাথ তামুলী ফুকন কোনগৰাকী ৰজাৰ ৰাজসভাসদ আছিল ?

(ঝ) নাথান ব্ৰাউনৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'খন কোন চনত প্ৰকাশ হৈছিল ?

(ঞ) হলিৰাম ঢেকিয়াল ফুকনে কি ভাষাত 'অসম বুৰঞ্জী' ৰচনা কৰিছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) উত্তৰ-শংকৰী কালত অসমৰ বৈষ্ণৱ সম্প্ৰদায় কি চাৰিটা সংহতিত বিভক্ত হৈছিল ?

(খ) সুকুমাৰ বৰকাথৰ 'হস্তী বিদ্যাৰ্ণৱ' পুথিৰ চিত্ৰসমূহ কোন দুগৰাকী চিত্ৰকৰে আঁকিছিল ?

(গ) 'অৰুণোদই'ৰ প্ৰভাৱমুক্ত দুগৰাকী লেখকৰ নাম লিখা।

(ঘ) বিশ্বেশ্বৰ বৈদ্যাধিপৰ আন এটা নাম কি আৰু তেওঁ পদ্যত ৰচনা কৰা বুৰঞ্জীখনৰ নাম লিখা।

(ঙ) 'কানীয়া-কীৰ্তন' কাৰ ৰচনা ? গ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(খ) আহোম যুগৰ ব্যৱহাৰিক সাহিত্য সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(গ) অসমীয়া বুৰঞ্জী সাহিত্যৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা।

(ঘ) 'প্ৰাক্-অৰুণোদই' যুগত অসমীয়া ভাষাৰ স্থিতি সন্দৰ্ভত চমুকৈ লিখা।

(ঙ) অসমীয়া ভাষা-সাহিত্যলৈ 'অৰুণোদই'ৰ অৱদান বৰ্ণনা কৰা।

(চ) চমু টোকা লিখা (যি কোনো এটা) :

নিধি লিবাই ফাৰৱেল ; নাথান ব্ৰাউন।

৪। (ক) উত্তৰ-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিকাশত আহোম ৰাজবংশৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) ''উত্তৰ-শংকৰী যুগৰ সাহিত্যত ধৰ্মৰ প্ৰাধান্য ক্ৰমশঃ হ্ৰাস পাইছিল, মনোৰঞ্জন সাহিত্যৰ মূল লক্ষ্য হৈ পৰিছিল।'' কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

৫। (ক) অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে খৰচি মাৰি আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া গদ্য সাহিত্যৰ বিকাশত ভট্টদেৱৰ অৰিহণা সম্বন্ধে আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা।

৬। (ক) 'প্ৰাক্-অৰুণোদই' কালৰ লেখকসকলৰ সাহিত্যকৃতি সম্বন্ধে বহলাই লিখা। ১০

*অথবা*

(খ) অসমীয়া ভাষা-সাহিত্যলৈ আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলৰ অৰদান সম্পৰ্কে আলোচনা কৰা।

৭। (ক) 'অৰুণোদই' যুগৰ সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য সম্পৰ্কে বিতংকৈ বৰ্ণনা কৰা। ১০

*অথবা*

(খ) 'অৰুণোদই' যুগৰ দুগৰাকী অনা-খ্ৰীষ্টিয়ান লেখকৰ সাহিত্যকৃতি আৰু অৰদান সম্পৰ্কে আলোচনা কৰা।

★★★